অধ্যায় ৯ ঃ যাজ্ঞৱল্ক্যস্মৃতি ঃ ব্যৱহাৰ-অধ্যায় ঃ 'ব্যৱহাৰ'ৰ ধাৰণা

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ 'ব্যৱহাৰ' শব্দৰ অর্থ আৰু ব্যুৎপত্তি

৯.৪ স্মৃতিশাস্ত্ৰত 'ব্যৱহাৰ'ৰ অর্থ

৯.৫ 'ব্যৱহাৰ'ৰ লক্ষণ

৯.৬ 'ব্যৱহাৰ'ৰ প্ৰয়োজন

৯.৭ 'ব্যৱহাৰ'ৰ প্ৰকাৰভেদ

৯.৮ চতুষ্পাদ ব্যৱহাৰ

৯.৯ ব্যৱহাৰপদ (বিবাদস্থান)

৯.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.১১ অধিক জানিবলৈ

৯.১২ অগ্ৰগতিৰ খতিয়ান

৯.১৩ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- প্ৰাচীন ভাৰতীয় বিচাৰ-ব্যৱস্থাৰ সৈতে পৰিচয় হ'ব পাৰিব
- 'ব্যৱহাৰ' অর্থাৎ বিচাৰ প্ৰক্ৰিয়াৰ অর্থ লক্ষণ সম্বন্ধে আগত হ'ব পাৰিব
- 'ব্যৱহাৰ'ৰ প্ৰয়োজন সম্পর্কে জানিব পাৰিব
- 'ব্যৱহাৰ'ৰ প্ৰকাৰভেদ সম্বন্ধে জ্ঞান লাভ হ'ব
- 'ব্যৱহাৰ'ৰ চাৰিটা পাদৰ বিষয়ে জানিব পাৰিব
- 'ব্যৱহাৰ পদ'সমূহৰ লগত চিনাকি হ'ব পাৰিব।

৯.২ পৰিচয়

স্মৃতি শাস্ত্ৰসমূহৰ ভিতৰত যাজ্ঞৱল্ক্যস্মৃতি অন্যতম। স্মৃতিশাস্ত্ৰত মানুহৰ কর্তব্যবিধি লিপিবদ্ধ আছে। লোকাচাৰৰ মাধ্যমেৰেও মানুহে তেওঁৰ কর্তব্যৰ জ্ঞান লাভ কৰিব পাৰে। স্মৃতি তথা লোকাচাৰ এই উভয়েৰে বিৰুদ্ধ পথেৰে অর্থাৎ হিতাহিত জ্ঞান শূন্য হৈ যদি কোনো ব্যক্তিয়ে আন কোনো ব্যক্তিক আক্ৰমণ কৰে, আৰু যদি আক্ৰান্ত ব্যক্তিয়ে সেই বিষয়ে ৰজাক জনায়, তেনেহ'লে সেইটো ব্যৱহাৰ পদ বাচ্য হ'ব। 'ব্যৱহাৰ' এটা স্মৃতিশাস্ত্ৰৰ পাৰিভাষিক শব্দ। ব্যৱহাৰ

মানে হৈছে বিচাৰ প্ৰক্ৰিয়া বা বিচাৰ পদ্ধতি (Judicial Procedure)।

যাৱল্ক্যস্মৃতিত তিনিটা অধ্যায় আছে। সেইবোৰ হৈছে আচাৰাধ্যায়, ব্যৱহাৰাধ্যায় আৰু প্ৰায়শ্চিত্য অধ্যায়। ইয়াৰে দ্বিতীয় অধ্যায়ত আচাৰ্য্য যাজ্ঞৱল্ক্যই ব্যৱহাৰৰ বিষয়ে বিস্তৃত আলোচনা আগবঢ়াইছে। ৰজাই হৈছে দণ্ডবিধানৰ কৰ্তা, কিন্তু তেৱোঁ ধৰ্মৰ অধীন। ৰজাই ধৰ্মশাস্ত্ৰ অনুসৰি ক্ৰোধ তথা লোভ বৰ্জন কৰি প্ৰতিদিনে ব্যৱহাৰ দৰ্শন কৰিব। এই অধ্যায়ত যাজ্ঞৱল্ক্যই বিবাদৰ প্ৰক্ৰিয়া, ব্যৱহাৰৰ লক্ষণ, সাক্ষী, প্ৰমাণ, বিবাদপদ অৰ্থাৎ বিবাদৰ বিষয় আদি পুংখানুপুংখভাৱে আলোচনা কৰিছে।

এই অধ্যায়টোত আপোনালোকে ব্যৱহাৰৰ অৰ্থ, ব্যৱহাৰৰ লক্ষণ, ব্যৱহাৰৰ প্ৰয়োজন, ব্যৱহাৰৰ প্ৰকাৰভেদ, ব্যৱহাৰৰ চাৰিটা পদ, বিবাদপদ আদিৰ বিষয়ে এটি ধাৰণা লাভ কৰিবলৈ সক্ষম হ'ব।

৯.৩ 'ব্যৱহাৰ' শব্দৰ অৰ্থ আৰু ব্যুৎপত্তি

'ব্যৱহাৰ' শব্দটোৰ সাধাৰণ লোকপ্ৰচলিত অৰ্থবোৰ হৈছে— আচৰণ (conduct, behaviour), কৰ্ম, ক্ৰিয়া (action, affair, work), পাৰস্পৰিক আচৰণ (dealing, transaction), ব্যৱসায় (commerce, trade, traffic), লেনদেন (dealing in money usury), নিয়ম, আচাৰ, সামাজিক ব্যৱস্থা, ৰীতি-নীতি (custom, an established rule or practice), সম্বন্ধ (relation, connection), ন্যায় বিচাৰ (judicial procedure), বিবাদ, মোকৰ্দমা (legal dispute, suit, complain, law suit, litigation) ইত্যাদি।

'ব্যৱহাৰ' শব্দটোৰ ব্যুৎপত্তি এনেদৰে কৰা হৈছে— 'ব্যৱহৃয়তে অনেন ইতি'। বি-অৱ পূৰ্বক হৃ ধাতুৰ পিছত কৰণবাচ্যত ঘঞ্ প্ৰত্যয় যোগ হৈ 'ব্যৱহাৰ' শব্দটো নিষ্পন্ন হৈছে। ইয়াৰ অৰ্থ হৈছে বি = বিভিন্ন প্ৰকাৰৰ অৰ্থত (বিষয়ত), অৱ = সন্দেহৰ, হাৰ = হৰণ কৰা (দূৰীকৰণ)।

৯.৪ স্মৃতিশাস্ত্ৰত 'ব্যৱহাৰ'ৰ অৰ্থ

সাধাৰণ অৰ্থত 'ব্যৱহাৰ' শব্দটোৰ বিভিন্ন অৰ্থ থাকিলেও, প্ৰাচীন ভাৰতীয় ধৰ্মশাস্ত্ৰত (স্মৃতিশাস্ত্ৰ) এই শব্দটো এটা পাৰিভাষিক অৰ্থত (Technical meaning) ব্যৱহৃত হৈছে। ইয়াত ব্যৱহাৰ শব্দটোৰ অৰ্থ পোৱা যায় আইন প্ৰয়োগ পদ্ধতি (Judicial procedure) হিচাপে।

'ব্যৱহাৰ' শব্দটোৰ বিভিন্ন অৰ্থ ধৰ্মসূত্ৰ আৰু স্মৃতিশাস্ত্ৰত দেখিবলৈ পোৱা যায়।

১। আপস্তম্ব ধৰ্মসূত্ৰত (২/৭/১৬-১৭; ১/৬/২০; ১১, ১৬) ব্যৱহাৰ শব্দটো পাৰস্পৰিক আচৰণ অৰ্থত উল্লেখিত হৈছে। 'মহাভাৰত'ৰ উদ্যোগ পৰ্বতো ব্যৱহাৰ শব্দটো সেই একেটা অৰ্থতে প্ৰয়োগ কৰা হৈছে (৩৭/২৮, ৩০)।

২। মহাভাৰতৰ শান্তিপৰ্বত (৬৯/২৮), বসিষ্ঠধৰ্মশাস্ত্ৰত (১৬/১), বিষ্ণুধৰ্মসূত্ৰত (৩/৭২), মনুসংহিতাত (৮/১), যাজ্ঞৱল্ক্যসংহিতাত (২/১), নাৰদ স্মৃতিত (১/১) তথা

শুক্রনীতিসাৰত (৪/৫৫) ব্যৱহাৰ শব্দটো বিবাদ তথা বিবাদ বিষয়ৰ অর্থত প্রযুক্ত হৈছে।

৩। বসিষ্ঠ ধর্মসূত্র তথা শঙ্খ লিখিত স্মৃতিত বিবাদৰ অংশ গ্রহণৰ যোগ্যতা অর্থত 'ব্যৱহাৰ' শব্দটো প্রয়োগ হৈছে। চণ্ডেশ্বৰ ঠক্কুৰ ৰচিত 'বিবাদ ৰত্নাকৰ' নামৰ গ্রন্থতো এই শব্দটো এই অর্থত ব্যৱহৃত হৈছে— 'ৰক্ষেদ্ ৰাজা ৱালানাং ধনানি অপ্রাপ্তব্যৱহাৰাণাম্'।

৪। 'গৌতম ধর্মসূত্র'ত 'কোনো এটা বিষয় নির্ণয়ৰ উপায়'— এই অর্থত ব্যৱহাৰ শব্দটোৰ প্রয়োগ হৈছে— 'তস্য ব্যৱহাৰো বেদো ধর্মশাস্ত্রাণ্যঙ্গানি।'

বহুকেইজন স্মৃতিশাস্ত্রকাৰে (যেনে— ৰৱদৰাজ, চণ্ডেশ্বৰ আদি) 'ব্যৱহাৰ' শব্দটো বিবাদৰ বিষয় তথা বিচাৰ পদ্ধতি— এই দুটা অর্থতেই প্রয়োগ কৰিছে। বহুতেই বিবাদ শব্দৰ দ্বাৰা বিবাদৰ বিষয় তথা বিচাৰ পদ্ধতি উভয়কে বুজাইছে। কিন্তু আচার্য্য যাজ্ঞৱল্ক্যই 'বিবাদ' আৰু 'ব্যৱহাৰ' দুয়োটা শব্দকে পৃথকে পৃথকে ব্যৱহাৰ কৰিছে। তেওঁৰ মতে 'বিবাদ' শব্দটোৰ দ্বাৰা বিবাদৰ বিষয়বোৰক (fitles of the suit) সামৰা হৈছে তথা 'ব্যৱহাৰ' শব্দটোৰ দ্বাৰা বিচাৰ পদ্ধতিটোক (Judicial procedure) বুজোৱা হৈছে।

৯.৫ 'ব্যৱহাৰ'ৰ লক্ষণ

বহুকেইজন স্মৃতিকাৰে 'ব্যৱহাৰ'ৰ অর্থ আলোচনা কৰিলেও তেওঁলোকে 'ব্যৱহাৰ'ৰ সংজ্ঞা অথবা লক্ষণ দাঙি ধৰা নাই। কেৱল মাত্র কাত্যায়ন, হাৰীত আৰু যাজ্ঞৱল্ক্যই ব্যৱহাৰৰ লক্ষণ নিৰূপণ কৰিছে।

আচার্য্য কাত্যায়নে ব্যৱহাৰৰ লক্ষণ এনেদৰে দিছে—

'প্রযত্নসাধ্যে বিচ্ছিন্নে ধর্মাখ্যে ন্যায়বিস্তৰে।
সাধ্যমূলস্তু য়ো বাদো ব্যৱহাৰঃ স উচ্যতে।'

অর্থাৎ ধর্ম হ'ল প্রযত্নসাধ্য। সম্যগ্ভাষণ, অহিংসা আচৰণ আদি কষ্ট সাধ্য উপায়েৰে ধর্ম সিদ্ধ হয়। এই ধর্ম যদি লোভ, দ্বেষ আদিৰ দ্বাৰা বিচ্ছিন্ন হ'বলৈ ধৰে, তেনেহ'লে ঋণাদান আদি বিষয়ত সাধ্যমূলক যি বিবাদ, তাকেই 'ব্যৱহাৰ' বুলি কোৱা হয়।

কাত্যায়নে আনকি 'বাৱহাৰ' পদটোৰ ব্যুৎপত্তিগত অর্থও আগবঢ়াইছে। তেওঁ কৈছে যে— 'বি' উপসর্গৰ অর্থ বহুত।' 'অৱ'ৰ অর্থ হৈছে সন্দেহ। 'হাৰ'ক অর্থ হৈছে হৰণ। যি পদ্ধতিৰ দ্বাৰা নানা সন্দেহ দূৰ হয়, তাকেই 'ব্যৱহাৰ' বুলি কোৱা হয়—

'বিনানার্থেৱসন্দেহে হৰণং হাৰ উচ্যতে।
নানাসন্দেহহৰণাদ্ ব্যৱহাৰ ইতি স্মৃতঃ।।'

কাৰোবাৰ দ্বাৰা ন্যায়বিৰুদ্ধে আচৰণ কৰাৰ পিছত, তাৰ সৈতে জড়িত অন্য ব্যক্তিয়ে যদি ন্যায়ৰ বাবে ন্যায়-অধিকাৰীৰ ওচৰলৈ গৈ প্রার্থনা কৰে, তেতিয়া সেইটোক ব্যৱহাৰ পদ (ব্যৱহাৰৰ বিষয়) বুলি কোৱা হ'ব। এই ব্যৱহাৰ পদৰেই দুটা বিভাগ আছে, যাৰ প্রথমটোক ব্যৱহাৰ বুলি কোৱা হয়, য'ত স্বত্বাধিকাৰ নির্ণয় হয়। আৰু দ্বিতীয় বিভাগটোক কোৱা হয় বিবাদ,

য'ত দণ্ডবিধানৰ ব্যৱস্থা আছে। যদিও যাজ্ঞৱল্ক্যস্মৃতিত এই সকলোবোৰৰ সমাৱেশ ব্যৱহাৰ অধ্যায়ত কৰা হৈছে, তথাপি পিছৰ নিৱন্ধকাৰসকলে এই দুয়োটাকে পৃথকৈ আলোচনা কৰিছে।

৯.৬ 'ব্যৱহাৰ'ৰ প্রয়োজন

অভিষেকাদিগুণযুক্ত ৰজাৰ প্রজাপালন অৱশ্যেই কর্তব্য। দুষ্টক নিগ্রহ বিনা প্রজাপালন ভালদৰে কৰা সম্ভৱ নহয়। কোনজন দুষ্ট তথা কোনজন শিষ্ট, তাক জানিবলৈ ব্যৱহাৰ দর্শনৰ প্রয়োজন। সেই কাৰণে আচার্য্য যাজ্ঞৱল্ক্যই তেওঁৰ গ্রন্থৰ প্রথম অধ্যায়ত কৈছে ৰজাই ক্রোধ-লোভ বর্জন কৰি প্রতিদিনে ব্রাহ্মণ বিদ্বানৰ সৈতে ধর্মশাস্ত্র অনুসৰি ব্যৱহাৰ দর্শন কৰিব।

'ব্যৱহাৰান্ নৃপঃ পশ্যেদ্ বিদ্বদ্ভিঃ ব্রাহ্মণৈ সহ।
ধর্মশাস্ত্রানুসাৰেণ ক্রোধলোভবিৱর্জিতঃ।। (২/১)

আচার্য্য নাৰদে ব্যৱহাৰৰ প্রৱর্তনৰ কাৰণ হিচাপে কৈছে প্রজাপতি মনুৰ ৰাজত্বকালত মানৱসকল ধর্মপৰায়ণ, জিতেন্দ্রিয় তথা সত্যবাদী আছিল। কালক্রমত ধর্মভাৱ নষ্ট হৈ যোৱাত দণ্ডধাৰী ৰজাৰ দ্বাৰা ব্যৱহাৰ দর্শনৰ সূচনা হ'ল—

'নষ্টে ধর্মে মনুষ্যানাং ব্যৱহাৰঃ প্রৱর্ততে।
দ্রৎট্বা চ ব্যৱহাৰাণাং ৰাজা দণ্ডধৰ স্মৃতঃ।।'

আচার্য্য যাজ্ঞৱল্ক্যই বিচাৰ পদ্ধতি আলোচনা কৰিবলৈ গৈ প্রথমেই কোন কোন বিষয় ব্যৱহাৰযোগ্য অর্থাৎ বিচাৰৰ বাবে যোগ্য হ'ব, সেইটো আলোচনা কৰিছে। তেওঁ কৈছে যে, ধর্মশাস্ত্র তথা লোক প্রচলিত নিয়ম, আচাৰ আদিৰ বিৰুদ্ধ পথেৰে আনৰ দ্বাৰা পীড়িত হৈ যদি উক্ত উৎপীড়নৰ বিষয়ে ৰাজসভাত আৱেদন জনায়, তেনেহ'লে সেইটো ব্যৱহাৰ বা বিবাদৰ বিষয় হয়—

'স্মৃত্যাচাৰব্যপেতেন মার্গেণাধর্ষিতঃ পৰৈঃ।
আবেদয়তি চেদ্ ৰাজ্ঞে ব্যৱহাৰ পদং হি তৎ।।'

যাজ্ঞৱল্ক্যসংহিতাৰ প্রখ্যাত টীকা 'মিতাক্ষৰা'ত টীকাকাৰ বিজ্ঞানেশ্বৰে কৈছে যে, অন্যৰ উক্তিৰ বিৰোধিতা কৰি নিজৰ সম্বন্ধে যেতিয়া কিছু কথা কোৱা হয়, তেতিয়া তাকে ব্যৱহাৰ বুলি কোৱা হয়, অর্থাৎ তেতিয়াই বিচাৰ পদ্ধতি আৰম্ভ হয়। যেনেদৰে কোনো ব্যক্তিয়ে যদি কয় 'এই ভূমিখিনি মোৰ'— উভয়ৰে এই বিবাদৰ যি উপায়ে নিষ্পত্তি হয়, তাকেই ব্যৱহাৰ বোলে— 'অন্য বিৰোধেন স্বাত্মসম্বন্ধিতয়া কথনং ব্যৱহাৰঃ। যথা কশ্চিদ্ ইদং ক্ষেত্রং মদীয়মিতি কথয়তি, অন্যো২পি তদ বিৰোধেন মদীয়মিতি।'

আকৌ বিজ্ঞানেশ্বৰে ব্যৱহাৰৰ সাতটা অংশৰ কথা উল্লেখ কৰিছে, যাৰ বাবে ব্যৱহাৰক 'সপ্তাত্মক' বুলি কোৱা হয়। এই সাতটা অংশ হৈছে— প্রতিক্ষা, উত্তৰ, সংশয়, হেতু, প্রমাণ, নির্ণয় আৰু প্রয়োজন।— 'প্রতিজ্ঞোত্তৰসংশয়হেতু পৰামর্শপ্রমাণনির্ণয়প্রয়োজনাত্মকঃ ব্যৱহাৰঃ তস্য পদং বিষয়ঃ।'

৯.৭ 'ব্যৱহাৰ'ৰ প্ৰকাৰভেদ

'ব্যৱহাৰান্ নৃপঃ পশ্যেদ্' এই উক্তিটোত ব্যৱহাৰ শব্দটো বহুবচনত প্ৰয়োগ কৰা হেতু বুজা যায় যে যাজ্ঞৱল্ক্যৰ মতে ব্যৱহাৰ বহুবিধ।

আচাৰ্য্য নাৰদক অনুসৰণ কৰি বিজ্ঞানেশ্বৰে ব্যৱহাৰৰ প্ৰাথমিক দুটি ভেদ প্ৰদৰ্শন কৰিছে— শঙ্কাভিযোগ তথা তত্ত্বাভিযোগ। আচাৰ্য্য নাৰদৰ মতে—

'অভিযোগস্তু বিজ্ঞেয়ঃ শংকাতত্ত্বাভিযোগতঃ।
শঙ্কা২সতাং তু সংসর্গাত্তত্ত্বং হোঢ়া২ভিদর্শনাৎ।।'

(নাৰদস্মৃতি, ১/২৭)

শঙ্কাভিযোগ ঃ অবিদ্যমান বিষয়ৰ সংসৰ্গত শঙ্কাভিযোগৰ উৎপত্তি হয়। অসৎ ব্যক্তিৰ সংগত সম্বন্ধবশতঃ য'ত দোষৰ উদ্ভাৱন কৰা হয়, তাতেই শঙ্কাভিযোগ হয়।

তত্ত্বাভিযোগ ঃ লিঙ্গদৰ্শন অথবা সাক্ষাদ্দৰ্শনত তত্ত্বাভিযোগ হয়। হোঢ়া বা চুৰি হোৱা বস্তু দৰ্শন হোৱাৰ পিছত, সেই বিষয়ে যি অভিযোগ কৰা হয়, সেয়াই হৈছে তত্ত্বাভিযোগ।

তত্ত্বাভিযোগ দুই প্ৰকাৰৰ— প্ৰতিযেধ আৰু বিধি।

প্ৰতিযেধ ঃ যদি কোনোবাই আৱেদন এই বুলি কৰে যে 'অমুক ব্যক্তিয়ে মোৰ পৰা সোণ আদি লৈ গৈ আৰু ওভতাই দিয়া নাই।' এইটো প্ৰতিযেধৰূপ তত্ত্বাভিযোগ।

বিধি ঃ কোনোৱাই যদি এনেদৰে আৱেদন কৰে যে, 'এই ব্যক্তিয়ে মোৰ মাটি আদি অপহৰণ কৰিছে। এয়াই হ'ল বিধিৰূপ তত্ত্বাভিযোগ, য'ত নঞৰ্থকতা নাথাকে।

আচাৰ্য্য কাত্যায়নে কৈছে যে, যিজনে নায্যকৰ্তব্য কৰিব নিবিচাৰে (প্ৰতিযেধ) আৰু যিজনে অন্যায় অৰ্থাৎ অন্যায্য কাম কৰে (বিধি), এই দুয়োজনৰ বিৰুদ্ধে তত্ত্বাভিযোগ কৰা হয়।

১৮ প্ৰকাৰৰ ব্যৱহাৰৰ বিষয় হিচাপে মনুৱে উল্লেখ কৰিছে। তেওঁ ঋণাদান, নিক্ষেপকে আদি কৰি দ্যূতসমাহবয় পৰ্য্যন্ত ১৮টা বিবাদ স্থানৰ বৰ্ণনা দিছে। এইবোৰ আকৌ সাধ্যৰ ভেদবশতঃ আৰু বহু প্ৰকাৰৰ হয়। নাৰদমতে মানুহৰ ভিন্ন ভিন্ন ক্ৰিয়াৰ বাবে বিবাদ স্থান ১০৮ প্ৰকাৰৰ হয়। সেয়েহে ব্যৱহাৰক 'শতশাখ' বুলিও কোৱা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ 'ব্যৱহাৰ' শব্দটোৰ ব্যুৎপত্তি লিখক।

.....

.....

প্ৰশ্ন নং ২ ঃ যাজ্ঞৱল্ক্যৰ মতে 'ব্যৱহাৰ' শব্দটোৰ অৰ্থ কি?

.....

.....

প্ৰশ্ন নং ৩ ঃ যাজ্ঞৱল্ক্যৰ মতে 'বিবাদ' মানে কি?

.....

.....

প্ৰশ্ন নং ৪ ঃ 'ব্যৱহাৰ' শব্দটোৰ ব্যুৎপত্তিগত অৰ্থ কি?

.....

.....

প্ৰশ্ন নং ৫ ঃ ব্যৱহাৰৰ প্ৰাথমিক বিভাগ দুটা কি কি?

.....

.....

৯.৮ চতুষ্পাদ ব্যৱহাৰ

ৰজাই বিচাৰ প্ৰক্ৰিয়া কেনেদৰে আগবঢ়াই নিব, সেই বিষয়ে যাজ্ঞৱল্ক্যই 'ব্যৱহাৰ অধ্যায়'ৰ আৰম্ভণিতে আলোচনা কৰিছে। ৰজাই ধৰ্মশাস্ত্ৰ অনুসৰি ক্ৰোধ তথা লোভ পৰিহাৰ কৰি এই বিচাৰ পদ্ধতি পৰ্যবেক্ষণ কৰিব।

'ব্যৱহাৰান্ নৃপঃ পশ্যেদ্ বিদ্বদ্ভির্ব্ৰাহ্মণৈঃ সহ।
ধৰ্মশাস্ত্ৰানুসাৰেণ ক্ৰোধলোভবিৱৰ্জিতঃ।' (ব্যৱহাৰ-অধ্যায়, ১)

ইয়াৰ পিছত ৰজাই উচিত বিচাৰ-ব্যৱস্থাৰ বাবে বেদ-ব্যাকৰণ-ধৰ্ম-শাস্ত্ৰবিদ্ ব্ৰাহ্মণসকলক, যিসকল সত্যবাদী তথা শত্ৰু আৰু মিত্ৰত সমমনোভাৱসম্পন্ন, তেওঁলোকক সভাসদ হিচাপে নিযুক্ত কৰিব। এওঁলোকে বিচাৰ কাৰ্য্যত ৰজাক সহায় কৰিব।

'শ্ৰুতাধ্যয়নসম্পন্না ধৰ্মজ্ঞাঃ সত্যবাদিনঃ।
ৰাজ্ঞা সভাসদঃ কাৰ্যা ৱিপৌ মিত্ৰে চ যে সমাঃ'।। ২।।

আন কাৰ্য্যত ব্যক্ত থকাৰ ফলত ৰজাই যদি ব্যৱহাৰ দৰ্শন (বিচাৰ পদ্ধতি পৰিচালনা) কৰিব নোৱাৰে, তেনেহ'লে অন্যান্য সভ্যগণৰ সৈতে তেওঁ এজন সৰ্বধৰ্মবিদ্ ব্ৰাহ্মণক বিচাৰকৰূপে (নিজৰ প্ৰতিনিধিৰূপে) নিযুক্ত কৰিব।

'অপশ্যতা কাৰ্য্যৱশাদ্ ব্যৱহাৰাণ্ নৃপেণ তু।
সভ্যৈঃ সহ নিয়োক্তব্য ব্ৰাহ্মণঃ সৰ্ৱধৰ্মবিৎ।। ৩।।

এই ৰজাৰ প্ৰতিনিধি ব্ৰাহ্মণজনে অন্য সভ্যসকলৰ সৈতে বিবাদস্পদীভূত বিষয়ত অৰ্থী তথা প্ৰত্যৰ্থীক প্ৰশ্ন সুধি বিচাৰ কৰে কাৰণে, তেওঁৰ নাম প্ৰাড্বিপাক। অৰ্থী আৰু প্ৰত্যৰ্থীক প্ৰশ্ন কৰা কাৰণে কোৱা হয় 'প্ৰাট্' তথা উভয়ৰে বিৰুদ্ধ নে অবিৰুদ্ধ এইটো সভ্যসকলৰ সৈতে পৰামৰ্শ কৰি বিবেচনা কৰা কাৰণে তেওঁক কোৱা হয় 'বিবাক'— 'বিবাদনুগতং পৃষ্ট্বা সমভ্যস্তৎপ্ৰয়ত্নতঃ। বিচাৰয়তি যেনাসৌ প্ৰাড্বিবাকস্ততঃ স্মৃতঃ।' আচাৰ্য্য নাৰদৰ মতে কেবল বেলেগ কাৰ্য্যত জড়িত হৈ থকাৰ সময়তে নহয়, সদায়ে ৰজাই প্ৰাড্বিবাকৰ মত অনুসৰণ কৰি চলিব।

'ধর্মশাস্ত্রং পুৰস্কৃত্য প্রাড্‌বিবাকমতে স্থিতঃ।
সমাহিতমতিঃ পশ্যেদ্ ব্যৱহাৰান্ অনুক্রমাৎ।।' (নাৰদস্মৃতি)

বিজ্ঞানেশ্বৰৰ মতে যেনেকৈ ৰজাই চোৰাংচোৱাৰ চকুৰেই আন সৈন্যৰ স্থিতি দর্শন কৰে, ঠিক তেনেকৈ তেওঁ প্রাড্‌বিবাকৰ মত অনুসৰিয়েই বিচাৰ পৰিচালনা কৰিব— 'প্রাড্‌বিবাকমতে স্থিতো ন স্বমতে স্থিতঃ ৰাজা চাৰচক্ষুষা পৰসৈন্যং পশ্যতীতিবৎ।' ধর্মশাস্ত্রৰ বিৰুদ্ধাচাৰণ কৰা প্রাড্‌বিবাক তথা অন্যান্য সভ্যগনৰ দণ্ডও যাজ্ঞৱল্ক্যই নিৰূপণ কৰিছে। তেওঁৰ মতে ৰাগ, লোভ, তথা ভয় দ্বাৰা যি প্রাড্‌বিবাকাদি সভ্যগণে স্মৃতি বিৰুদ্ধ ব্যৱস্থা দিয়ে, তেনেহ'লে তেওঁলোকৰ প্রত্যেককে বিবাদত ঠিৰ কৰা প্রকৃত অপৰাধীৰ বাবে যি দণ্ড নির্ণীত হয়, তাৰ দুগুণ দণ্ড দিয়া উচিত।

'ৰাগাল্লোভাদ্ ভয়াদ্ ৰাপি স্মৃত্যপেতাদিকাৰিণঃ।
সভ্যাঃ পৃথক্ পৃথক্ দণ্ড্যা বিৱাদাদ্ দ্বিগুণং দমম্'।। ৪।।

এই ব্যৱহাৰ বা বিচাৰ পদ্ধতিত চাৰিটা ক্রম বা অঙ্গ দেখা যায়। সেই কাৰণে এই ব্যৱহাৰক চতুষ্পাদ ব্যৱহাৰ বুলি কোৱা হয়। এই চাৰিটা পাদ হ'ল— ভাষাপাদ, উত্তৰপাদ, ক্রিয়াপাদ আৰু সাধ্যসিদ্ধি পাদ।

১। **ভাষাপাদ ঃ** কোনো ব্যক্তি যদি ধর্মশাস্ত্র তথা লোকাচাৰৰ বিৰুদ্ধ পথৰে আনৰ দ্বাৰা আক্রান্ত হয় আৰু এই আক্রান্ত হোৱা ব্যক্তিয়ে যদি ৰজাক জনায়, তেনেহ'লে সেইটো ব্যৱহাৰ পদ বাচ্য হয়।

'স্মৃতিচাৰব্যপেতেন মার্গেণাধর্ষিতঃ পৰৈঃ।
আৱেদয়তি চেদ্ ৰাজ্ঞে ব্যৱহাৰপদং হি তৎ'।। ৫।।

আৱেদনটো আক্রান্ত ব্যক্তিয়ে নিজে আহি ৰজাক জনাব। কোনো ব্যক্তিৰ মাধ্যমত জনালে নহ'ব। যিজনে প্রথমে আৱেদন কৰি বিচাৰ প্রার্থনা কৰে, তেওঁ হ'ল অর্থী (Plaintiff)। অর্থীৰ আৱেদন যুক্তিযুক্ত হ'লে মুদ্রাদিৰ দ্বাৰা (royal sealed paper) প্রত্যর্থীক (defendact) আহ্বান জনোৱা হ'ব। যদি প্রত্যর্থী ৰোগাদিৰ দ্বাৰা পীড়িত হয়, তেনেহ'লে তেওঁক তেতিয়াই অনা নহ'ব। প্রত্যর্থীক মাতি অনাৰ পিছত তেওঁৰ সন্মুখত অর্থীয়ে আগতে যি যি অভিযোগ আনিছে, সেইখিনি সম্পূর্ণ লিপিবদ্ধ কৰা হ'ব। আৱেদন কালত অর্থীয়ে যিখিনি কৈছে, লেখাৰ সময়ত তাৰ বিন্দু মাত্রও ব্যতিক্রম হ'ব নোৱাৰিব। যদি ব্যতিক্রম হয়, তেনেহ'লে ব্যৱহাৰ ভঙ্গ হ'ব। তাৰ পিছত আৰু এই বিষয়ত কোনো বিচাৰ নহ'ব। লিখাৰ সময়, বছৰ, মাহ, পক্ষ, দিন, অর্থী তথা প্রত্যর্থীৰ নাম, জাতি, স্থান আদিৰ সুপষ্ট উল্লেখ থাকিব।

'প্রত্যর্থিনো২গ্রতো লেখ্যং যথাবেদিতমর্থিনা।
সমামাসতদর্ধা২র্নামজাত্যাদিচিহ্নিতম্'।। ৬।।

২। **উত্তৰপাদ ঃ** অর্থীৰ বক্তব্য শুনি প্রত্যর্থীয়ে তাৰ উত্তৰ লিখিব— 'শ্রুতার্থস্যোত্তৰং লেখ্যং পূর্ৱাবেদকসন্নিধৌ।' উত্তৰখিনি অর্থীৰ সন্মুখতে লিখা হ'ব। ইয়াতেই আত্মপক্ষ সমর্থন

কৰি প্ৰত্যৰ্থীয়ে অৰ্থীৰ অভিযোগ খণ্ডন কৰিব। উত্তৰ হ'ব লাগিব অৰ্থীৰ অভিযোগ দূৰীকৰণত সমৰ্থ, সাৰগৰ্ভ (নায্যভাষণযুক্ত) তথা সন্দেহৰহিত। ই হ'ব লাগিব পূৰ্বাপৰসামঞ্জস্যযুক্ত তথা সহজেই বুজি পোৱা বিধৰ। এনেদৰেই উত্তৰৰ লক্ষণ কোৱা হৈছে—

'পক্ষস্য ব্যাপকং সাৰ অসন্দিগ্ধম্ অনাকুলম্।
অৱ্যাখ্যাগম্যমিত্যুৱং তদ্‌বিদো বিদুঃ।।'

এই উত্তৰ কাত্যায়নৰ মতে চাৰি প্ৰকাৰৰ— সংপ্ৰতিপত্তি, মিথ্যা, প্ৰত্যৱস্কন আৰু পূৰ্বন্যায়।

(ক) সংপ্ৰতিপত্তি (সত্যোত্তৰ) ঃ যেতিয়া বাদীৰ দ্বাৰা অৰ্থাৎ অৰ্থীৰ দ্বাৰা 'এই ব্যক্তিজনে মোৰ পৰা এশ টকা ধাৰ লৈছে'— এই অভিযোগটো অনা হয়, তেতিয়া প্ৰতিবাদী অৰ্থাৎ প্ৰত্যৰ্থীয়ে যদি কয় যে 'মই সঁচাকৈয়ে এওঁৰ পৰা এশ টকা ধাৰ লৈছোঁ— এই উত্তৰটোক কোৱা হ'ব 'সংপ্ৰতিপত্তি' বা সত্য উত্তৰ।

(খ) মিথ্যা ঃ 'এওঁ মোৰ পৰা এশ টকা ধাৰ লৈছে' এই অভিযোগত যদি প্ৰতিবাদীয়ে এই উত্তৰ দিয়ে যে, 'মই এওঁৰ পৰা এশ টকা ধাৰে লোৱা নাই'— এইটো হ'ব মিথ্যা উত্তৰ। ইয়াত 'মিথ্যা' শব্দটো পাৰিভাষিক, কাৰণ প্ৰত্যৰ্থীৰ উত্তৰটো সত্য নে মিছা, সেইটো তেতিয়াও জানিব পৰা হোৱা নাই, বিচাৰৰ দ্বাৰাইহে নিৰ্ণীত হ'ব।

কাত্যায়নে কৈছে যে, অভিযুক্ত অৰ্থাৎ প্ৰত্যৰ্থীয়ে যদি অভিযোগ অস্বীকাৰ কৰে, তেনেহ'লে ব্যৱহাৰৰ দ্বাৰা (বিচাৰ কৰি) সেই উত্তৰক মিছা বুলি জনা উচিত। এই মিথ্যা উত্তৰ চাৰি প্ৰকাৰৰ— ১) এইটো মিছা, ২) মই নাজানো, ৩) সেই সময়ত (ঘটনাটো হোৱা সময়ত) মই তাত নাছিলো, ৪) সেই সময়ত মোৰ জন্মই হোৱা নাছিল।

(গ) প্ৰত্যৱস্কন্দন ঃ ওপৰোক্ত উদাহৰণৰ প্ৰশ্নৰ উত্তৰত যদি প্ৰত্যৰ্থীয়ে এনেদৰে উত্তৰ দিয়ে যে, 'এই ধন মই ঋণ হিচাপে লৈছিলো, কিন্তু মই এই ধন ঘূৰাই দিছোঁ।' অথবা যদি এনেদৰে উত্তৰ দিয়ে— 'এই ধন বাদীৰ পৰা মই দানস্বৰূপে লৈছোঁ, অথবা প্ৰতিগ্ৰহ ৰূপত লৈছোঁ।' এনেদৰে অৰ্থীৰ দ্বাৰা লিখিত ধন লোৱা বুলি স্বীকাৰ কৰি যদি প্ৰতিবাদীয়ে (বাদীক ওভতাই দিয়াৰ) কাৰণ বৰ্ণনা কৰে, তেনেহ'লে তাক প্ৰত্যৱস্কন্দন বুলি কোৱা হ'ব।

(ঘ) পূৰ্বন্যায় ঃ যেতিয়া প্ৰতিবাদীৰ দ্বাৰা এনেকৈ উপস্থাপন কৰা হয়— 'এই বিষয়ত (পূৰ্বোক্ত উদাহৰণ) মই অৱশ্যেই অভিযুক্ত, কিন্তু এই বিষয়ত পূৰ্বেই হোৱা বিচাৰৰ দ্বাৰা এই বাদীজন পৰাজিত হৈছিল।' 'আচাৰ' অৰ্থাৎ বিচাৰৰ দ্বাৰা যি বিষয়ত বাদীজন এবাৰ পৰাজিত হৈছিল, তথাপি যদি সেই বিষয়ক বিচাৰৰ বাবে পুনৰ লিখোৱা হয়, তেনেহ'লে প্ৰতিবাদীৰ দ্বাৰা প্ৰস্তুত এই উত্তৰ 'পূৰ্বন্যায়' বুলি কোৱা যাব।

৩। **ক্রিয়াপাদ ঃ** অর্থীৰ সন্মুখত প্রত্যর্থীৰ উত্তৰ লিখাৰ পিছত অর্থীৰ কর্তব্য হ'ব নিজৰ অভিযোগৰ সপক্ষে প্রমাণ দাখিল কৰা। কাৰণ সাধন অর্থাৎ প্রমাণৰ ওপৰতেই নির্ভৰ কৰে সাধ্যৰ (বিবাদৰ) সিদ্ধি। সেয়েহে উত্তৰ লিখাৰ লগে লগে প্রমাণ প্রদর্শন কৰা উচিত। যাজ্ঞৱল্ক্যই কৈছে— 'ততো২র্থী লেখয়েৎ সদ্যঃ প্রতিজ্ঞাতার্থসাধনম্।' সম্প্রতিপত্তি উত্তৰত সাধ্য নাথাকে, কাৰণ প্রত্যর্থীয়ে অভিযোগ স্বীকাৰ কৰি লয়েই। সেই ক্ষেত্রত অর্থীয়ে প্রমাণ দেখুওৱাৰ প্রয়োজন নাথাকে। সেয়েহে ভাষাপাদ তথা উত্তৰপাদৰ পিছতেই ব্যৱহাৰ সমাপ্ত হৈ যায়। মিছা উত্তৰৰ ক্ষেত্রত প্রত্যর্থীয়ে প্রমাণ দেখুৱাব লগীয়া হয়।

৪। **সাধ্যসিদ্ধিপাদ ঃ** প্রমাণ প্রদর্শনৰ পিছত অর্থী জয়লাভ কৰে। প্রমাণ দুই প্রকাৰৰ— মানুষ আৰু দিব্য। মানুষ প্রমাণ তিনি প্রকাৰৰ— লিখিত (Written document), ভুক্তি (Possession) আৰু সাক্ষী (Witness)। অর্থীয়ে এই তিনি প্রকাৰৰ প্রমাণৰ ভিতৰত কোনো এটা প্রদর্শন কৰাব। মানুষ প্রমাণৰ সম্ভৱ নহ'লে, দিব্যপ্রমাণৰ আশ্রয় গ্রহণ কৰা হ'ব। অর্থীয়ে যদি কোনো প্রমাণ দেখুৱাব নোৱাৰে, তেনেহ'লে তেওঁৰ পৰাজয় হ'ব তথা প্রত্যর্থীৰ বিজয় হ'ব। যি প্রমাণ অর্থী বা প্রত্যর্থীয়ে প্রদর্শন কৰিছে, সেইটো যদি সত্য বুলি জনা যায়, তেনেহ'লে সেই প্রমাণকে 'সিদ্ধ' বুলি কোৱা হ'ব— 'তৎসিদ্ধৌ সিদ্ধিমাপ্নোতি বিপৰীতসতো২ন্যথা।'

চতুষ্পাদ ব্যৱহাৰ বুলি ক'লে সাধাৰণতে ওপৰোক্ত এই চাৰিটা পাদকে বুজোৱা হয়। কিন্তু আচার্য্য নাৰদ, বৃহস্পতি, কৌটিল্য আদি স্মৃতিকাৰসকলে আনধৰণে চতুষ্পাদ ব্যৱহাৰ প্রতিষ্ঠিত কৰিছে। আচার্য্য নাৰদৰ মতে ধর্ম, ব্যৱহাৰ, চৰিত্র আৰু ৰাজশাসন— এই চাৰিটা ব্যৱহাৰৰ অংশ। এইবোৰৰ ভিতৰত পিছৰ কেইটা পূর্বৰ কেইটাৰ বাধক। বৃহস্পতি তথা কৌটিল্যয়ো এইকেইটাকে সামান্যভাৱে স্বীকাৰ কৰিছে। নাৰদৰ মতে ব্যৱহাৰ কেৱল চতুষ্পদীয়ে নহয়, সি চতুঃস্থান, চতুঃসাধন, চতুর্হিত, চতুর্ব্যাপী আৰু চতুষ্কাৰী।

৯.৯ ব্যৱহাৰপদ (বিবাদস্থান)

'চতুষ্পাদ্ ব্যৱহাৰো২য়ং বিবাদেষু প্রদর্শিতঃ।' (যাজ্ঞৱল্ক্য, ব্যৱহাৰ, ৮) যাজ্ঞৱল্ক্যৰ মতে এই (পূর্বোক্ত) চতুষ্পাদ ব্যৱহাৰ বিধি বিবাদস্থানত (ঋণাদানাদি) প্রয়োগ কৰা হয়।

যিমানদিনলৈ সত্যবাদী, ধর্মভীৰু, বিদ্বেষহীন, মাৎসর্যহীন ব্যক্তিৰ সংখ্যাগৰিষ্ঠতা আছিল, তেতিয়ালৈকে ব্যৱহাৰ দর্শনৰ বিশেষ প্রয়োজনীয়তাও নাছিল। কিন্তু কালক্রমত সত্যবচন, ধর্মভয় আদি গুণাৱলীৰ বিলুপ্তি ঘটিবলৈ ধৰিলে। ফলত নিৰীহ মানুহৰ ওপৰত নিপীড়নকাৰীৰ সংখ্যা বৃদ্ধি হ'বলৈ ধৰে। নিপীড়িত মানুহৰ বিবাদ নিষ্পত্তিৰ বাবে তেতিয়াৰে পৰা আৰম্ভ হ'ল বিচাৰ প্রক্রিয়া। নির্ধাৰিত কৰা হ'ল বিবাদৰ বিষয়বোৰ (Topics of Dispute)। স্মৃতিগ্রন্থত বিবাদৰ বিষয়বোৰক 'বিবাদস্থান' নামেৰে অভিহিত কৰা হৈছে।

বিবাদস্থানবোৰৰ সংখ্যা সম্বন্ধে স্মৃতিকাৰসকলৰ মাজত মতভেদ দেখিবলৈ পোৱা যায়। আচার্য্য মনুৱে তেওঁৰ স্মৃতিগ্রন্থ 'মনুস্মৃতি'ৰ অষ্টম অধ্যায়ত ১৮টা বিবাদস্থানৰ কথা উল্লেখ কৰিছে।

তেওঁ নির্ধাৰণ কৰি দিয়া বিবাদ স্থানসমূহ হৈছে— ১) ঋণাদান, ২) নিক্ষেপ, ৩) অস্বামিবিক্রয়, ৪) সম্ভূয়সমুত্থান, ৫) দত্তানপকর্ম, ৬) বেতনাদান, ৭) সংবিদ্‌ব্যতিক্রম, ৮) ক্রয়বিক্রয়ানুশয়, ৯) স্বামিপালবিবাদ, ১০) সীমাবিবাদ, ১১) বাক্‌পাৰুষ্য, ১২) দণ্ডপাৰুষ্য, ১৩) স্তেয়, ১৪) সাহস, ১৫) স্ত্রীসংগ্রহণ, ১৬) স্ত্রীপুংধর্ম, ১৭) বিভাগ, ১৮) দ্যূত আহ্বয়।

আচার্য্য যাজ্ঞৱল্ক্যৰ মতে বিবাদ পদ ২০টা। তেওঁ বিবাদপদৰ পৃথক কোনো তালিকা দিয়া নাই। তেওঁ মনুপ্রোক্ত ১৮টা বিবাদ পদৰ লগত আৰু তিনিটা যোগ কৰিছে। সেই তিনিটা হৈছে— অভ্যুপেত্যাশুশ্রূষা, বিক্রীয়াসম্প্রদান তথা প্রকীর্ণক। কিন্তু তেওঁ মনুৱে দিয়া স্ত্রীপুংধর্ম নামৰ বিবাদ স্থানটো ব্যৱহাৰ অধ্যায়ত বর্জন কৰিছে। কাৰণ এই বিষয়ে তেওঁ আচাৰ অধ্যায়ত বিবাহ প্রকৰণত ইতিমধ্যে আলোচনা কৰিছে।

আচার্য্য নাৰদেও ১৮টা বিবাদস্থানৰ তালিকা দিছে, কিন্তু সেইটো মনুৰ সৈতে কিছু পৃথক। নাৰদপ্রোক্ত তালিকাখন হ'ল— ১) ঋণাদান, ২) উপনিধি, ৩) সম্ভূয়সমুত্থান, ৪) দত্তাপ্রদানিক, ৫) অভ্যুপেত্যাশুশ্রূষা, ৬) বেতনাদান, ৭) অস্বামিবিক্রয়, ৮) বিক্রীয়াসম্প্রদান, ৯) ক্রীত্বানুশয়, ১০) সময়ানপকর্ম, ১১) ক্ষেত্রজ বিবাদ, ১২) স্ত্রীপুংসম্বন্ধ, ১৩) দায়ভাগ, ১৪) সাহস, ১৫) বাক্‌পাৰুষ্য, ১৬) দণ্ডপাৰুষ্য, ১৭) দ্যূত, ১৮) প্রকীর্ণক।

আচার্য্য কৌটিল্যই তেওঁৰ অর্থশাস্ত্রত ১৬ প্রকাৰৰ বিবাদস্থানৰ বর্ণনা কৰিছে। আচার্য্য বৃহস্পতিৰ মতে বিবাদপদ ১৯ প্রকাৰ। যাজ্ঞৱল্ক্য প্রদত্ত ২০টা বিবাদস্থান সংক্ষেপে দিয়া হ'ল—

১। **ঋণাদান** (Recovery of Loans) ঃ উত্তমর্ণ অর্থাৎ যিজনে ঋণ দিয়ে, তেওঁ কোন সময়ত, কেনেদৰে, কাক ঋণ দিব সেয়াই হৈছে, ইয়াৰ বিষয়বস্তু। ঋণদান তথা ঋণ আদান।

২। **উপনিধি নিক্ষেপ** (Deposits) ঃ যদি কোনো দ্রব্য কোনো পাত্রত ৰাখি মুদ্রাচিহ্ন দি বন্ধ কৰি দিয়া হয় আৰু এই দ্রব্যৰ ৰূপ, সংখ্যা আদিৰ বিশেষ পৰিচয় নোকোৱাকৈ বিশ্বাস হেতু অন্য ব্যক্তিৰ হাতত ৰক্ষা কৰিবলৈ অর্পণ কৰা হয়, তেনেহ'লে সেই দ্রব্যক 'ঔপনিধিক' দ্রব্য বোলে। এই দ্রব্যটো আচল গৰাকীক ঘূৰাই দিয়া নিয়ম। নাৰদৰ মতে এই উপনিধিৰ আন এটা নাম নিক্ষেপ।

৩। **দায়ভাগ** (Divisions of Property among Heirs) ঃ কোনো সম্পত্তি যি ধনস্বামীৰ সম্বন্ধবশতঃ অন্য ব্যক্তিৰ নিজস্ব হৈ যায়। পিতৃসম্পত্তিৰ বিভাজন।

৪। **সীমাবিবাদ** (Disputes about Boundaries) ঃ সীমা সংক্রান্তীয় বিবাদ। সীমা বিবাদ ছয় প্রকাৰে হ'ব পাৰে— ১) অংশৰ আধিক্য, ২) অংশৰ ন্যূনতা, ৩) অংশৰ অস্তিত্ব, ৪) অংশৰ নাস্তিত্ব, ৫) অভোগভুক্তি, ৬) সীমা।

৫। **স্বামিপালবিবাদ** (Disputes amongst the Keepers) ঃ ক্ষেত্রস্বামী আৰু পশুৰ পালক— উভয়ৰে মাজত হোৱা বিৰোধেই হৈছে স্বামিপালবিবাদ। মহ, গৰু, ছাগলী, ভেড়া আদি পশুবোৰ যদি আনৰ খেতিত প্রৱেশ কৰি শস্য নাশ কৰে, তেনেহ'লে বিবাদৰ উৎপত্তি হয়।

৬। **অস্বামিবিক্রয়** (Sale of Articles) ঃ অস্বামিবিক্রয়, তাকেই কোৱা হয়, যেতিয়া কোনো

ব্যক্তিয়ে অন্যৰ দ্বাৰা নিক্ষিপ্ত অর্থাৎ জমা থোৱা অথবা হেৰাই পেলোৱা দ্রব্য পায় বা অপহৰণ কৰি গোপনে বিক্রী কৰে। এইটো এটা বিবাদৰ বিষয়।

৭। **দত্তাপ্রদানিক** (Gift and its Acceptance) ঃ অন্যায়ভাৱে কোনো বস্তু দান কৰি পুনৰ তাক ঘূৰাই বিচৰাৰ বাবে যি বিবাদৰ সৃষ্টি হয়, সেয়াই হৈছে দত্তাপ্রদানিক।

৮। **ক্রীতানুশয়** (Returning a thing Purchased to the Seller) ঃ 'অনুশয়' মানে হৈছে অনুতাপ। ক্রীতবস্তুত অর্থাৎ কিনা বস্তুৰ বিষয়ে অনুতাপেই হ'ল ক্রীতানুশয়। কোনো এটা বস্তু দাম দি কিনাৰ পিছত ক্রেতাই অসন্তুষ্ট হ'লে, তাকেই ক্রীতানুশয় বোলে, যি এটা বিবাদৰ বিষয়।

৯। **অভ্যুপেত্যাশুশ্রূষা** (Breach of Contract) ঃ আজ্ঞা অনুসৰি কাম কৰা হ'ল শুশ্রূষা। শুশ্রূষা কৰাৰ অঙ্গীকাৰ কৰি কোনোৱে যদি তাক পালন নকৰে, তেনেহ'লে তাক কোৱা হ'ব অভ্যুপেত্য অশুশ্রূষা। ই এটা বিবাদৰ কাৰণ। শুশ্রূষাকাৰী পাঁচজন— শিষ্য, অন্তেবাসী, ভৃতক, অধিকর্মকৃৎ আৰু দাম।

১০। **সংবিদ্যতিক্রম** (Breach of Established Usage) ঃ আস্তিক নাস্তিক আদি ভিন্নমতাৱলম্বী মানুহৰ নিজ নিজ নিয়ম হ'ল 'সময়'। সেই সময়ৰ পৰিপালন কৰাই কর্তব্য। সময় পৰিপালনৰ ব্যতিক্রমত বিবাদৰ সৃষ্টি হ'ব পাৰে। পৰম্পৰাগত নিয়মক 'সময়' বোলে। তাক অতিক্রম কৰা অর্থাৎ পালন নকৰা।

১১। **বেতনাদান** (Non-payment of Wages) ঃ বেতন+আদান। ভৃত্যসকলক অথবা মজুৰীপ্রাপ্ত কর্মীসকলক বেতন (দৰমহা) দিয়া তথা বেতনৰ অনাদায় তথা বেতন লৈ কাম নকৰা আদি বিবাদৰ বিষয়।

১২। **দ্যূতসমাহ্বয়** (Gambling and Betting with Living Creatures) ঃ অক্ষ (পাশ), ব্রধ্ন (জন্তুৰ ছালৰ পেটী), শলাকা (হাতী আদিৰ দাঁতেৰে নির্মিত জুৱাখেলৰ পাশতি) আদিৰ দ্বাৰা ধূর্ত্তৰ প্রৱর্তিত যি পণ আৰু পক্ষী আদিৰ ক্রীড়া (জুৱাখেল) আদিবোৰ যি ব্যৱহাৰৰ বিষয়, সেয়াই হৈছে দ্যূতসমাহ্বয়।

১৩। **বাক্‌পাৰুষ্য** (Use of Abusive Words) ঃ দেশ, জাতি, কুল উল্লেখ কৰি যদি কোনোৱে আক্রোশেৰে অর্থাৎ চিঞৰি চিঞৰি অকথ্য ভাষাৰে কাৰোবাৰ বিৰুদ্ধে বাক্য প্রয়োগ কৰে, সেয়াই হৈছে বাক্ পাৰুষ্য। যিটো এটা বিবাদৰ বিষয়।

১৪। **দণ্ডপাৰুষ্য** (Assault and Violence) ঃ আনৰ শৰীৰত হাত, ভৰি অথবা অস্ত্রেৰে তথা ভস্ম আদিৰ দ্বাৰা আঘাত কৰাক দণ্ডপাৰুষ্য বুলি কোৱা হয়, যিটো বিবাদৰ বিষয়।

১৫। **সাহস** (Robbery) ঃ 'সহস্' শব্দৰ অর্থ হৈছে বল। সামান্য দ্রব্য অর্থাৎ সকলোৰে দ্বাৰা সামান্যৰূপে উপযোগী দ্রব্যৰ বলপূর্বক অপহৰণ কৰাকেই সাহস বোলে, যিটো বিবাদৰ বিষয়।

১৬। **বিক্রীয়াসংপ্রদান** (Non Delivery Articles Sold) ঃ বিক্রীয়+অসম্প্রদান। মূল্য লৈ পণ্য (বস্তু) বিক্রী কৰাৰ পিছত, বিক্রেতাই যদি ক্রেতাক সেই দ্রব্য প্রদান নকৰে, ইয়াৰ

বিচাৰ যি ব্যৱহাৰত হয়। ৬ প্ৰকাৰৰ পণ্য দ্ৰব্য ক্ৰেতাই গ্ৰহণ কৰে— গণিত, তুলিত, মেয়, ক্ৰিয়া, ৰূপ আৰু দীপ্তি।

১৭। **সংভূয়সমুত্থান** (Joint-Stock-Companies) ঃ 'সম্ভূয়' শব্দটোৰ অৰ্থ হৈছে বহুকেইজনে মিলিতভাৱে, আৰু 'সমুত্থান' শব্দটোৰ অৰ্থ হৈছে— লাভৰ বাবে বাণিজ্য আদি কৰ্ম কৰা। 'সমবায়' কৰ্মত কিছুমান চুক্তি থাকে। সেই চুক্তিভংগ কৰিলে বিবাদৰ উৎপত্তি হয়।

১৮। **স্তেয়** (Theft) ঃ স্তেয় মানে হৈছে চুৰি কাৰ্য। ই এটা বিবাদৰ বিষয়। 'সাহস' আৰু 'স্তেয়'ৰ পাৰ্থক্য হৈছে— দ্ৰব্যৰ ৰক্ষক ৰাজাধ্যক্ষ অথবা মানুহৰ সন্মুখৰ পৰা বলপূৰ্বক অপহৰণ কৰ্ম হ'ল 'সাহস'। আনহাতে 'স্তেয়' হ'ল দ্ৰব্যস্বামী আৰু জনসাধাৰণৰ অসাক্ষাতে পৰদ্ৰব্যহৰণ।

১৯। **স্ত্ৰীসংগ্ৰহণ** (Adultery and Seduction) ঃ পৰস্ত্ৰী হৰণ। যিটো এটা বিবাদৰ বিষয়।

২০। **প্ৰকীৰ্ণক** (Miscellaneous) ঃ ৰজাৰ আজ্ঞাৰ উলঙঘন, ৰজাৰ দ্বাৰা আজ্ঞাপ্ত কৰ্মৰ অপালন, 'পুৰপ্ৰদান' অৰ্থাৎ প্ৰজাৰ মাজত মিল কৰোৱা, পাখণ্ডী, নৈগম, শ্ৰেণী, গণ আদিৰ ধৰ্ম ব্যতয়, পিতা-পুত্ৰৰ বিবাদ, প্ৰায়শ্চিত্যৰ ব্যতিক্ৰম, জীৱিকাৰ নিয়ম আদিৰ প্ৰকীৰ্ণকৰ বিষয়বস্তু।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ চতুষ্পাদ কি কি?

.....

.....

প্ৰশ্ন নং ৭ ঃ মানুষ প্ৰমাণ তিনি প্ৰকাৰৰ কি কি?

.....

.....

প্ৰশ্ন নং ৮ ঃ উত্তৰ কেইপ্ৰকাৰৰ কি কি?

.....

.....

প্ৰশ্ন নং ৯ ঃ যাজ্ঞৱল্ক্যই কিমানটা ব্যৱহাৰ পদৰ উল্লেখ কৰিছে?

.....

.....

প্ৰশ্ন নং ১০ ঃ উপনিধিৰ আন এটা নাম কি?

.....

.....



৯.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- প্ৰাচীন ভাৰতীয় বিচাৰ-পদ্ধতি সম্পৰ্কে জানিব পাৰিলে।
- 'ব্যৱহাৰ'ৰ অৰ্থ, লক্ষণ আদিৰ লগত চিনাকি হ'ব পাৰিলে।
- 'ব্যৱহাৰ'ৰ প্ৰয়োজন সম্পৰ্কে জ্ঞান লাভ কৰিলে।
- 'ব্যৱহাৰ'ৰ প্ৰকাৰভেদ সম্বন্ধে জানিব পাৰিলে।
- 'চতুষ্পাদী ব্যৱহাৰ'ৰ বিষয়ে জানিব পাৰিলে।
- 'ব্যৱহাৰপদ' সমূহৰ লগত চিনাকি হ'ব পাৰিলে।



৯.১১ অধিক জানিবলৈ

১) বসু (ন্যায়তীৰ্থ), সুমিতা, (১৪০৭ সাল), *যাজ্ঞৱল্ক্যসংহিতা,* ব্যৱহাৰ-অধ্যায়, কোলকাতা ঃ সংস্কৃত পুস্তক ভাণ্ডাৰ।

২) ঝা, (ড°) শশিনাথ (সম্পাদিত), (২০০২), *যাজ্ঞৱল্ক্যসংহিতা,* ব্যৱহাৰ-অধ্যায়, দিল্লী ঃ ভাৰতীয় বিদ্যা প্ৰকাশন।

৩) Panda, (Dr.) R. K. (ed.), (2011). *Yajnavalkya-Smrti,* Delhi : Bharatiya Kala Prakashan.



৯.১২ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ব্যৱহৃয়তে অনেন ইতি। বি-অব+হৃ+ঘঞ্

২ নং প্ৰশ্নৰ উত্তৰ ঃ বিচাৰ পদ্ধতি (Judicial Procedure)।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ বিবাদৰ বিষয় (Tilles of the suit)।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ বি = বহুত, অৱ = সন্দেহ, হাৰ (হৃ+ঘঞ্) = হৱণ।

৫ নং প্রশ্নৰ উত্তৰ ঃ শঙ্কাভিযোগ আৰু তত্ত্বাভিযোগ।

৬ নং প্রশ্নৰ উত্তৰ ঃ ভাষাপাদ, উত্তৰপাদ, ক্রিয়াপাদ আৰু সাধ্যসিদ্ধিপাদ।

৭ নং প্রশ্নৰ উত্তৰ ঃ লেখ্য, ভুক্তি আৰু সাক্ষী।

৮ নং প্রশ্নৰ উত্তৰ ঃ চাৰি প্রকাৰৰ। সংপ্রতিপত্তি, মিথ্যা, প্রত্যৱস্কন্দন, পূর্বন্যায়।

৯ নং প্রশ্নৰ উত্তৰ ঃ ২০ টা।

১০ নং প্রশ্নৰ উত্তৰ ঃ নিক্ষেপ।



৯.১৩ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ 'ব্যৱহাৰ' শব্দটোৰ প্রচলিত অর্থ কি?

প্রশ্ন ২ ঃ 'ব্যৱহাৰ'ৰ লক্ষণ কাত্যায়নে কেনেদৰে দিছে?

প্রশ্ন ৩ ঃ 'ব্যৱহাৰ' কোনে দর্শন কৰে?

প্রশ্ন ৪ ঃ নাৰদৰ মতে বিবাদস্থান কিমান প্রকাৰৰ?

প্রশ্ন ৫ ঃ ক্রীতানুশয় মানে কি?

(খ) চুটি প্রশ্ন ঃ

প্রশ্ন ১ ঃ তলত দিয়া শব্দবোৰৰ চমুটোকা লিখক।

তত্ত্বাভিযোগ, ভাষাপাদ, উত্তৰপাদ, সংবিদ্যতিক্রম, সাহস।

(গ) ৰচনাধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ ব্যৱহাৰৰ ব্যুৎপত্তিগত ব্যাখ্যা আগবঢ়াওক।

প্রশ্ন ২ ঃ ব্যৱহাৰৰ লক্ষণ তথা প্রয়োজন সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৩ ঃ চতুষ্পাদ ব্যৱহাৰৰ ওপৰত এটি টোকা প্রস্তুত কৰক।

প্রশ্ন ৪ ঃ বিবাদস্থান (ব্যৱহাৰ পদ) সম্পর্কে সংক্ষেপে আলোচনা কৰক।

*** ***** ***